[২০০৭] ১২ এছ. চি. আৰ. ১০৩১

আব্দুল গফুৰ আৰু অন্যান্য

বনাম

অসম চৰকাৰ

৬ ডিচেম্বৰ, ২০০৭

(ফৌজদাৰী আপীল নং ১৬৭৫ / ২০০৭)

**[ন্যায়াধীশ ড° অৰিজিত পচায়তআৰু ডি.কে. জৈন]**

*দণ্ডবিধি, ১৮৬০- ধাৰা ৩৯৫, ৩৯৭ আৰু ৩৫৪ -ৰ অধীনত চলোৱা গোচৰ - অভিযুক্তৰ সকল ভুক্তভোগীসকলৰ বিষয়ে জ্ঞাত আছিল- পক্ষসমুহৰ মাজত শত্ৰুতা- এগৰাকী সাক্ষীৰ সাক্ষ্য চিকিৎসা সাক্ষ্য-প্ৰমাণৰ বিপৰীত- টেলিফোনিক তথ্যত, অপৰাধ সংঘটিত কৰাৰ সময়ত, অপৰাধীসকলক অচিনাকি বুলি উল্লেখ কৰা হৈছিল- বিচাৰ আদালতৰ দ্বাৰা দোষী সাব্যস্তকৰণ- -উচ্চ ন্যায়ালয়ৰ দ্বাৰা নিশ্চিত কৰা- আপীলত কৰাত ৰায় দিয়া হৈছিলঃ পক্ষসমুহৰ মাজত থকা শত্ৰুতাৰ পটভূমিত থকা আসোৱাহৰ প্ৰতি লক্ষ্য ৰাখি অপৰাধীসকল দোষমুক্ত হোৱাৰ যোগ্য - উচ্চ ন্যায়ালয়ৰ আদেশ আছিল অনুমান আৰু কল্পনাৰ ওপৰত প্ৰতিস্থিত।*

**গুচৰীয়া পক্ষই আপীলকাৰী-অভিযুক্তসকলৰ বিৰুদ্ধে অভিযোগ কৰিছিল যে তেওঁলোকে মাৰাত্মক অস্ত্ৰ-শস্ত্ৰ লৈ ভুক্তভোগীসকলৰ ঘৰত প্ৰৱেশ কৰিছিল, ঘৰৰ বাসিন্দাসকলক আক্ৰমণ কৰিছিল, সোণৰ অলংকাৰ লুট কৰি নিছিল আৰু দুগৰাকী মহিলা সদস্যক ধৰ্ষণ কৰিছিল। ঘটনাৰ সময়ছোৱাত পৰিয়াল এজন সদস্যই টেলিফোনেৰে ঘটনাটোৰ বিষয়ে আৰক্ষীক অৱগত কৰি কৈছিল যে কিছুমান অচিনাকি লোকে তেওঁলোকৰ ঘৰত লুটপাট কৰি আছিল**

আৰু ঘৰৰ দুজন ব্যক্তিক আক্ৰমণ কৰিছিল। ইয়াৰ পিছতে এজাহাৰ দাখিল কৰা হৈছিল। অভিযুক্তসকলৰ ভিতৰত তিনিজনক পলাতক বুলি ঘোষণা কৰা হৈছিল। বিচাৰৰ সন্মুখীন হোৱা অভিযুক্তসকলক ভাৰতীয় দণ্ড বিধিৰ ৩৯৫ আৰু ৩৯৭ ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰা হৈছিল। অভিযুক্তসকলৰ দুজনক অতিৰিক্তভাৱে ভাৰতীয় দণ্ড বিধিৰ ৩৫৪ ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰা হৈছিল। সাক্ষী নং ১, ২, ৩, ৫ আৰু ৮-ৰ সাক্ষ্যৰ ওপৰত ভিত্তি কৰি দোষী সাব্যস্ত কৰা হৈছিল। উচ্চ ন্যায়ালয়ে দোষী সাব্যস্তকৰণৰ ৰায়ক সমৰ্থন কৰি আপীল নাকচ কৰিছিল। সেয়েহে এই আপীল দাখিল কৰা হৈছে।

আপীল মঞ্জুৰ কৰি আদালতে

বিচাৰ কৰে যে- ১. আপীলকাৰীসকল দোষমুক্ত হোৱাৰ যোগ্য। ইয়াৰ পক্ষসমূহৰ মাজত থকা শত্ৰুতাৰ পটভূমিত থকা আসোৱাহৰ বাবে গুচৰীয়া পক্ষৰ গোচৰ গ্ৰহণযোগ্য হোৱা নাই। বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ে সাক্ষ্য-প্ৰমাণসমূহ সঠিকভাৱে বিশ্লেষণ কৰা নাছিল আৰু কেৱল অনুমান আৰু কল্পনাৰ ওপৰত ভিত্তি কৰিয়েই বিচাৰ কৰিছিল।

[দফা ১১ আৰু ১২] [১০৩৫-ই, এফ, জি]

২. উচ্চ ন্যায়ালয়ে এই সিদ্ধান্তত ভুল কৰিছে যে ইয়াৰ অধিকাৰ সাক্ষী নং ১, ২, ৩, ৫ আৰু ৮-ৰ সাক্ষ্যক চিকিৎসা সম্বন্ধীয় সাক্ষ্য-প্ৰমাণৰ দ্বাৰা সম্পূৰ্ণৰূপে প্ৰমাণিত কৰিছিল। লক্ষণীয়ভাৱে, সাক্ষী নং ৪-ৰ সাক্ষ্য বিবেচনা কৰিলে এই স্পষ্ট হয় যে এই সাক্ষীৰ সাক্ষ্য স্পষ্টভাৱে চিকিৎসা সাক্ষ্যৰ বিপৰীত। উচ্চ ন্যায়ালয়ে উল্লেখ কৰিছিল যে আপীলকাৰীসকলৰ এজন পলাতক হৈ আছে। দৰাচলতে তদন্তকাৰী বিষয়াৰ সাক্ষ্যৰ পৰা জনা যায় যে তেওঁ এজাহাৰ দাখিল কৰাৰ দিনাই তেওঁক গ্ৰেপ্তাৰ কৰিছিল। উচ্চ ন্যায়ালয়ে আবেদনকাৰীসকলে দাখিল কৰা প্ৰমাণ আৰু বিভিন্ন তথ্য বিশ্লেষণ নকৰাকৈ কেৱল বিচাৰ আদালতৰ কিছুমান

**সিদ্ধান্তৰ কথা উল্লেখ কৰিছিল। গুচৰীয়া পক্ষৰ গোচৰটো দুৰ্বল কৰিবলৈ ঘটনাটো সংঘটিত হোৱাৰ বহু সময়ৰ পিছত এজাহাৰ দাখিল কৰা হৈছিল আৰু প্ৰকৃততে টেলিফোনিক বাৰ্তাটো পোৱাৰ পিছতেই আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। [দফা ১০]**

**৩. উচ্চ ন্যায়ালয়ে এনেদৰে উল্লেখ কৰিছে যেন ডকাইতিৰ সন্দৰ্ভত কোনো অচিনাকি ব্যক্তিয়ে টেলিফোনিক বাৰ্তা দিছিল। অৱশ্যে, সাক্ষ্যত এইটো পোহৰলৈ আহিছে যে খৱৰটো এজন অচিনাকি লোকে দিয়া নাছিল, কিন্তু পৰিয়াল সদস্য সাক্ষী নং ১ য়ে দিছিল। খৱৰটো দিওতে কোৱা হৈছিল যে কোনো অচিনাকি লোকে ডকাইতি কৰিছিল । প্ৰকৃততে ব্যক্তিসকল অচিনাকি নাছিল বৰঞ্চ খবৰদাতা আৰু তেওঁৰ পৰিয়ালৰ চুবুৰীয়াহে আছিল । উচ্চ ন্যায়ালয়ে উল্লেখ কৰিছিল যে শত্ৰুতাৰ বাবে অভিযুক্ত ব্যক্তিসকলক ঘটনাটোত মিছাকৈ জড়িত কৰাৰ কোনো অভিপ্ৰায় নাছিল আৰু ধৰ্ষণৰ অভিযোগ উত্থাপন কৰি দুগৰাকী যুৱতীৰ মৰ্যাদা হানি কৰাৰ কোনো কাৰণ নাছিল। লক্ষণীয় যে প্ৰকৃততে ধৰ্ষণ হৈছিল অভিযোগ কৰা হৈছিল কিন্তু বিচাৰ আদালতে ধৰ্ষণৰ অভিযোগ প্ৰমাণ কৰাৰ কোনো সাক্ষ্য পোৱা নাছিল । সাক্ষ্যসমূহ সম্পূৰ্ণৰূপে অসঙ্গতিপূৰ্ণ আৰু ইয়াৰ বিশ্বাসযোগ্যতাৰ অভাৱ। [দফা ৯ আৰু ১০] [১০৩৪-জি, এইচ; ১০৩৫-এ, বি]**

**ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰ: ফৌজদাৰী আপীল নং ১৬৭৫/২০০৭**

গৌহাটী উচ্চ ন্যায়ালয়ে ফৌজদাৰী আপীল নং ২০১/১৯৯৮ অত ১২.০৫.২০০৬ তাৰিখে দিয়া চূড়ান্ত ৰায় আৰু আদেশৰ পৰা উদ্ভৱ হোৱা ।

আপীলকাৰীসকলৰ হৈ অধিবক্তা - এইচ. এল. আগৰৱাল, আজিম এইচ. লাস্কাৰ, আনন্দ আৰু অভিজিৎ সেনগুপ্ত

প্ৰতিপক্ষৰ হৈ অধিবক্তা- অভিজিৎ ৰয় (এম/এছ কৰ্পোৰেট ল গ্ৰুপ)।

আদালতৰ ৰায় প্ৰদান কৰে-

**ন্যায়াধীশ ড° অৰিজিৎ পাছায়তে-**

১. অনুমতি প্ৰদান কৰা হল৷

২. আপীলকাৰীয়ে দাখিল কৰা আপীল গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিদ্বান এজনীয়া বিচাৰপীঠে নাকচ কৰি দিয়া আদেশক প্ৰত্যাহ্বান জনাই এই আপীল দাখিল কৰা হৈছে ।

৩. গুচৰীয়া পক্ষৰ মতে গোচৰৰ পটভূমিৰ তথ্যসমূহ সংক্ষেপে তলত দিয়া ধৰণৰঃ

যোৱা ১১-৪-৮৮ তাৰিখে নিশা প্ৰায় ৬.৩০ বজাত অভিযুক্ত আব্দুল গফুৰ, হোকোই মিয়াঁ, নাজিৰ আলী, ছায়েদ আলী, লতিফ আলী, আকলাছ মিয়াঁ, আশু মিয়াঁ আৰু তাবাই মিয়াঁয়ে দাও, লাথি, ডেগাৰ আদি মাৰাত্মক অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ ব্ৰহ্মনশান গাঁৱত সত্যেন্দ্ৰ নাথ গুপ্তাৰ ঘৰটো ঘেৰাও কৰে, তেওঁৰ লগতে তেওঁৰ পত্নী শ্ৰীমতী হেমামালিনী গুপ্তা, তেওঁৰ পুত্ৰ সুভেন্দু গুপ্তা, তেওঁৰ জ্যেষ্ঠ কন্যা অঞ্জলী গুপ্তা আৰু তেওঁৰ আত্মীয় সুশীল চন্দাক আক্ৰমণ কৰি গুৰুতৰভাৱে জখম কৰে। তেওঁলোকক বান্ধি থৈ পৰিয়ালৰ মহিলা সদস্য- হেমামালিনী গুপ্তা, অঞ্জলী গুপ্তা, মিত্ৰ গুপ্তা, ৰুবী গুপ্তা আৰু নেল গুপ্তাৰ হাতৰ পৰা ৪২,৯৫০.০০ মূল্যৰ সোণৰ অলংকাৰ- হাৰ, কাণফুলি, আঙঠি আদি লুট কৰি নিছিল৷ ইয়াৰ উপৰিও দুজন অভিযুক্ত হোকোল মিয়াঁ আৰু আকলাছ উদ্দীনে ক্ৰমে মিত্ৰ গুপ্তা আৰু ৰুবী গুপ্তাক ধৰ্ষণ কৰিছিল আৰু লুট কৰা বস্তুবোৰ লৈ পলায়ন কৰিছিল। ঘটনাৰ সময়ত সত্যেন্দ্ৰ নাথ গুপ্তাৰ পুত্ৰ সুশীল চন্দ্ৰ গুপ্তাই টেলিফোনেৰে আৰক্ষীক অৱগত কৰিছিল যে সত্যেন্দ্ৰ নাথ গুপ্তাৰ ঘৰত ডকাইতি সংঘটিত হৈ আছিল আৰু সত্যেন্দ্ৰ নাথ গুপ্তা আৰু তেওঁৰ পত্নীক অপৰাধীসকলে আক্ৰমণ কৰি তেওঁলোক গুৰুতৰভাৱে জখম কৰিছিল। এনে তথ্যৰ ভিত্তিত ১১-৪-১৯৮৮ ৰ নিশা ৮:১৫ বজাত নীলামবাজাৰ আৰক্ষী চকীত সাধাৰণ পঞ্জীত ২১২ নং দৰজ লিপিবদ্ধ কৰা

হৈছিল আৰু তদন্ত আৰম্ভ কৰা হৈছিল। ইয়াৰ পিছত সত্যেন্দ্ৰ নাথ গুপ্তাইও নীলামবাজাৰ আৰক্ষী চকীত এখন লিখিত এজাহাৰ দাখিল কৰে। নীলামবাজাৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াই লিখিত এজাহাৰখন কৰিমগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ ওচৰলৈ প্ৰেৰণ কৰিছিল । ইয়াৰ পিছত কৰিমগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনে ভাৰতীয় দণ্ডবিধি, ১৮৬০ ( চমুকৈ আই পি চি) ৰ ধাৰা ৩৯৫/৩৯৭/৩৭৬ ৰ অধীনত গোচৰ ৰুজু কৰিছিল । আৰক্ষীৰ উপ-পৰিদৰ্শক টি. চি. বাইলংয়ে তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত অভিযুক্ত আব্দুল গফুৰ, হোকোই মিয়াঁ, বলোই মিয়াঁ, ছায়েদ আলী, আকলাছ উদ্দিন, নাজিৰ আলী, লতিফ আলী, আশু মিয়াঁ আৰু তাবাই মিয়াঁৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩৯৫ আৰু ৩৯৭ৰ অধীনত শাস্তিযোগ্য অপৰাধ সংঘটিত কৰাৰ অভিযোগৰ বাবে অভিযোগ-পত্ৰ দাখিল কৰে।

অভিযুক্ত নাজিৰ আলী, আশু মিয়াঁ আৰু তাবাই মিয়াঁৰ বিৰুদ্ধে থকা অভিযোগসমূহ প্ৰমাণিত হৈছিল আৰু তেওঁলোকক পলাতক বুলি ঘোষণা কৰা হৈছিল। আব্দুল গফুৰ, হোকোই মিয়াঁ, বলয় মিয়াঁ, ছায়েদ অল, আলাছ উদ্দিন আৰু লতিফ আলী নামৰ আন ছয়জন অভিযুক্তৰ বিৰুদ্ধে গোচৰটো কৰিমগঞ্জৰ প্ৰথম শ্ৰেণী বিদ্বান ন্যায়িক দণ্ডাধীশে সত্ৰ আদালতলৈ প্ৰেৰণ কৰিছিল।

৪. বিচাৰৰ সময়ত গুচৰীয়া পক্ষৰ গোচৰ প্ৰতিস্থা কৰিবলৈ ৯ জন সাক্ষীক পৰীক্ষা কৰা হৈছিল।

৫. সাক্ষী নং ১, ২, ৩, ৫ আৰু ৮ৰ সাক্ষ্যৰ ওপৰত নিৰ্ভৰ কৰি বিচাৰ আদালতে অভিযুক্ত-আপীলকাৰী নং ১, ২, ৩, ৫ আৰু ৬ ক ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩৯৭ৰ অধীনত শাস্তিযোগ্য অপৰাধ কৰাৰ বাবে দোষী সাব্যস্ত কৰে আৰু অভিযুক্ত-আপীলকাৰী নং ৩ আৰু ৫ ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩৫৪ৰ অধীনত শাস্তিযোগ্য অপৰাধৰ বাবে দোষী সাব্যস্ত কৰা হৈছিল। ধাৰা

৩৯৭ৰ লগতে ধাৰা ৩৯৫ৰ অধীনত কৰা অপৰাধৰ বাবে প্ৰত্যেককে সাত বছৰৰ বাবে সশ্ৰম কাৰাদণ্ড আৰু ২,০০০/- টকা জৰিমনা বিহা হয়। ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩৫৪ অধীনত কৰা জড়িত অপৰাধৰ বাবে তেওঁলোকক এবছৰকৈ সশ্ৰম কাৰাদণ্ড বিহা হৈছিল।

৬. দোষী সাব্যস্ত হোৱা অভিযুক্ত ব্যক্তিসকলে উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। পূৰ্বতে কোৱাৰ দৰে-উচ্চ ন্যায়ালয়ে আবেদনখন নাকচ কৰিছিল আৰু দোষী সাব্যস্তকৰণ আৰু শাস্তি নিশ্চিত কৰিছিল।

৭. আপীলৰ সমৰ্থনত আপীলকাৰীৰ বিদ্বান অধিবক্তাই দাবী কৰে যে উচ্চ ন্যায়ালয়ে বিভিন্ন যুক্তিৰ বিষয়েও আলোচনা নকৰাকৈয়ে উক্ত আপীল দুৰ্বোধ্যভাৱে নিষ্পত্তি কৰিছে । এই সিদ্ধান্তত উপনীত হোৱাৰ ক্ষেত্ৰত কেইবাটাও আসোৱাহ আছে।

৮. আনহাতে প্ৰতিপক্ষ-ৰাজ্য চৰকাৰৰ বিদ্বান অধিবক্তাই বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ৰ ৰায়ক সমৰ্থন কৰিছিল।

৯. উচ্চ ন্যায়ালয়ে এনেদৰে উল্লেখ কৰিছে যেন ডকাইতিৰ সন্দৰ্ভত কোনো অচিনাকি ব্যক্তিয়ে টেলিফোনিক বাৰ্তা দিছিল। অৱশ্যে, সাক্ষ্যত এইটো পোহৰলৈ আহিছে যে খবৰটো এজন অচিনাকি লোকে দিয়া নাছিল, কিন্তু পৰিয়াল সদস্য সাক্ষী নং ১ য়ে দিছিল। খবৰটো দিওতে কোৱা হৈছিল যে কোনো অচিনাকি ব্যক্তিয়ে ডকাইতি কৰি আছিল ।

১০. উচ্চ ন্যায়ালয়ে উল্লেখ কৰিছিল যে শত্ৰুতাৰ বাবে অভিযুক্ত ব্যক্তিসকলক ঘটনাটোত মিছাকৈ জড়িত কৰাৰ কোনো অভিপ্ৰায় নাছিল আৰু ধৰ্ষণৰ অভিযোগ উত্থাপন কৰি দুগৰাকী যুৱতীৰ মৰ্যাদা হানি কৰাৰ কোনো কাৰণ নাছিল। লক্ষণীয় যে প্ৰকৃততে ধৰ্ষণ হৈছিল অভিযোগ কৰা হৈছিল কিন্তু বিচাৰ আদালতে ধৰ্ষণৰ অভিযোগ প্ৰমাণ কৰাৰ কোনো সাক্ষ্য পোৱা নাছিল । সাক্ষ্যসমূহ সম্পূৰ্ণৰূপে অসঙ্গতিপূৰ্ণ আৰু ইয়াৰ বিশ্বাসযোগ্যতাৰ অভাৱ। উচ্চ

ন্যায়ালয়ৰ পৰ্যবেক্ষণ স্পষ্টভাৱে অনুমানৰ ওপৰত প্ৰতিস্থিত আৰু বাস্তৱিক পৰিস্থিতিৰ বিপৰীত আছিল। উচ্চ ন্যায়ালয়ে লক্ষ্য কৰিছে যে সাক্ষী নং -১, ২ , ৩ , ৫ আৰু ৮ ৰ সাক্ষ্য চিকিৎসাৰ সাক্ষ্য-প্ৰমাণে সম্পূৰ্ণৰূপে সমৰ্থন কৰিছে। লক্ষণীয়ভাৱে, সাক্ষী নং ৪-ৰ সাক্ষ্য বিবেচনা কৰিলে এই স্পষ্ট হয় যে এই সাক্ষীৰ সাক্ষ্য স্পষ্টভাৱে চিকিৎসা সাক্ষ্যৰ বিপৰীত। উচ্চ ন্যায়ালয়ে উল্লেখ কৰিছিল যে আপীলকাৰীসকলৰ এজন পলাতক হৈ আছে। দৰাচলতে তদন্তকাৰী বিষয়াজনৰ সাক্ষ্যত পোৱা যায় যে তেওঁ এজাহাৰ  দাখিল কৰাৰ দিনাই তেওঁক গ্ৰেপ্তাৰ কৰিছিল। উচ্চ ন্যায়ালয়ে আপীলকাৰীসকলে দাখিল কৰা প্ৰমাণ আৰু বিভিন্ন তথ্য বিশ্লেষণ নকৰাকৈ কেৱল বিচাৰ আদালতৰ কিছুমান সিদ্ধান্তৰ কথা উল্লেখ কৰিছিল। গুচৰীয়া পক্ষৰ গোচৰটো দুৰ্বল কৰিবলৈ ঘটনাটো সংঘটিত হোৱাৰ বহু সময়ৰ পিছত এজাহাৰ দাখিল কৰা হৈছিল আৰু প্ৰকৃততে টেলিফোনিক বাৰ্তাটো পোৱাৰ পিছতেই আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হৈছিল ।

১১. গোচৰটোৰ পক্ষসমূহৰ মাজত থকা শত্ৰুতাৰ পটভূমিত থকা আসোঁৱাহৰ বাবে গুচৰীয়া পক্ষৰ গোচৰ গ্ৰহণযোগ্য হোৱা নাই।  বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ে সাক্ষ্য-প্ৰমাণসমূহ সঠিকভাৱে বিশ্লেষণ কৰা নাছিল আৰু কেৱল অনুমান আৰু কল্পনাৰ ওপৰত ভিত্তি কৰিয়েই বিচাৰ কৰিছিল। সেয়েহে আপীলকাৰীসকলক দোষমুক্ত হোৱাৰ যোগ্য, আৰু আমি এই আদেশ জাৰি কৰিলো।

১২. আপীল মঞ্জুৰ কৰা হৈছে। আপীলকাৰীসকলক এই অভিযোগৰ পৰা মুক্ত কৰা হৈছে। আন কোনো গোচৰত প্ৰয়োজন নহ'লে তেওঁলোকক মুক্তি দিয়া হওক ।

আপীল মঞ্জুৰ কৰা হল ।

অনুবাদকাৰী- সুচেনজিৎ বায়ন, জেষ্ঠ অনুবাদক

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)